**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 25-10-2025 **Time :** 1205Hrs.

**<u>Assamese Midday Bulletin</u>**

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কাছাৰৰ লক্ষীপুৰ বিধানসভা সমষ্টিৰ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কাছাৰৰ লক্ষীপুৰ বিধানসভা সমষ্টিৰ বিন্নাকান্দি মণ্ডল বিজেপিৰ কাৰ্যালয় আৰু লক্ষীপুৰ মণ্ডল বিজেপিৰ কাৰ্যালয় উদ্বোধন কৰে। ইয়াৰ পাছত ড০ শৰ্মাই লাবক খেলপথাৰত লক্ষীপুৰ বিধানসভা সমষ্টিৰ ১৯ হাজাৰৰো অধিক মহিলাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেকসমূহ বিতৰণ কৰিব।

ইপিনে, শিলচৰৰ পুলিচ পেৰেডগ্ৰাউণ্ডত কালি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত শিলচৰ বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ ১৩ হাজাৰ ১৩৯ গৰাকী মহিলাক চেক বিতৰণ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। ইয়াৰ লগতে মুখ্যমন্ত্ৰীয়ে শিলচৰ মেডিকেল কলেজ হাস্পতাল পৰিদৰ্শন কৰি প্ৰস্তাৱিত ২০৮ খন বিচনাযুক্ত ছুপাৰ স্পেছিয়েলিটি চিকিৎসালয়খনৰ আধাৰশিলা স্থাপন কৰে। প্ৰায় ২৪০ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া এই অত্যাধুনিক চিকিৎসা কেন্দ্ৰটোৱে বৰাক উপত্যকাৰ স্বাস্থ্য সেৱাৰ মান যথেষ্ট উন্নীত কৰাৰ লগতে উজনি অসম আৰু চুবুৰীয়া ৰাজ্যৰ ৰোগীসকলৰ বাবে বিশেষ চিকিৎসা সেৱা নিশ্চিত কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে মহিলাসকলক সম্বোধন কৰি কয় যে ৰাজ্যৰ ৪০ লাখ মহিলাক লাখপতি বাইদেউ কৰাৰ বাবে চৰকাৰে কাম কৰি আছে। বৰ্তমান যিসকলে ১০ হাজাৰ টকাৰ আৰ্থিক সাহায্য লাভ কৰি আছে আৰু ইয়াক সঠিকভাৱে ব্যৱহাৰ কৰিলে তেওঁলোকৰ সাহায্য ভৱিষ্যতে ২৫ হাজাৰ টকাৰ পৰা ৫০ হাজাৰ টকালৈ বৃদ্ধি কৰা হব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ইপিনে শিলচৰৰ ৩ হাজাৰ নতুন হিতাধিকাৰীক অৰুণোদয় আচনিৰ অধীনত অনা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে।

০০০০০০

বহু জল্পনা-কল্পনা, প্ৰতীক্ষা, বাদ -বিসম্বাদৰ অন্তত কালি সুদীৰ্ঘ ২২ বছৰৰ মূৰত গেৰুকামুখত অৱস্থিত সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পত পৰীক্ষামূলকভাৱে ২৫০ মেগাৱাট বিদ্যুৎ উৎপাদন কৰা হয়। নিৰ্মাণকাৰী সংস্থা এন এইচ পি চিৰ মুখ্য পৰিচালন সঞ্চালক ভূপেন্দ্ৰ গুপ্তাই জলবিদ্যুৎ প্ৰকল্পটোৰ মুঠ ৮ টা টাৰ্বাইনৰ কালি ১ নম্বৰ ইউনিটটো মুকলি কৰে। উল্লেখযোগ্য যে ২০০৩ চনৰ পৰা নিৰ্মাণ আৰম্ভ কৰা প্ৰকল্পটোৰ বিৰোধিতাৰে সদৌ অসম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, কৃষক মুক্তি সংগ্ৰাম সমিতিকে আদি কৰি কুৰিৰো অধিক দল-সংগঠনে প্ৰতিবাদ গঢ়ি তুলিছিল। যাৰফলত এই প্ৰকল্পটোৰ নিৰ্মাণৰ কাম স্থবিৰ হৈ পৰিছিল। ২০১৯ চনত প্ৰকল্পটোৰ পুনৰ নিৰ্মাণকাৰ্য আৰম্ভ হয় আৰু কালি প্ৰথমবাৰলৈ পৰীক্ষামূলকভাৱে ২৫০ মেগাৱাট শক্তি উৎপাদন কৰা হয়। বাকী থকা ৭ টা টানেল চলিত বৰ্ষৰ নৱেম্বৰত মুকলি কৰাৰ বাবে বান্ধ নিৰ্মাণকাৰী সংস্থা– এন এইচ পি চিয়ে লক্ষ্য নিৰ্ধাৰণ কৰিছে। লখিমপুৰ জিলাৰ বহু দল-সংগঠনে বান্ধ সুৰক্ষা সমিতিৰ পৰা অনুমোদন নোপোৱাকৈ এন এইচ পি চিৰ নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পত বিদ্যুৎ উৎপাদনৰ পৰীক্ষণ কাৰ্যৰ বিৰোধিতা কৰিছে।

ইপিনে, নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্প অতি বিপদজনক হ'ব বুলি বীৰ লাচিত সেনাইও প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে।

০০০০০০০

১৯৮৫ চনৰ ২৪ মাৰ্চত তেতিয়াৰ মহেন্দ্ৰ মোহন চৌধুৰী চিকিৎসালয়ৰ পুৰণি প্ৰসূতি কক্ষ এটাক উন্নীত কৰা হৈছিল এটা টেলিভিছনৰ ষ্টুডিঅ'লৈ। এয়াই আছিল গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ আৰম্ভণি। অসম তথা উত্তৰ-পূৰ্বাঞ্চলত প্ৰথমবাৰৰ বাবে টেলিভি ছনৰ বাতৰি প্ৰচাৰ আৰম্ভ হৈছিল। বহু ঘটনাৰ সাক্ষী এই গুৱাহাটী দূৰদৰ্শনৰ বাতৰি বিভাগ।

প্ৰম্..

আজি নিশা ৮ বাজি দুই মিনিটৰ দৃষ্টিপাত অনুষ্ঠানৰো বিষয় এই গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ বাতৰি বিভাগ। ইয়াত লগ পাব বাতৰি বিভাগৰ জন্ম লগ্নৰ পৰা জড়িত কেইগৰাকীমান বিষয়া-কৰ্মচাৰী আৰু পৰিৱেশকক। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

ভাৰত চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ উদ্যোগত যোৱা ১৭ অক্টোবৰত নতুন দিল্লীৰ বিজ্ঞান ভৱনত অনুষ্ঠিত আদি কৰ্মযোগী অভিযানৰ ৰাষ্ট্ৰীয় সন্মিলনত কামৰূপ জিলাৰ বকো উন্নয়ন খণ্ডৰ এটা প্ৰতিনিধি দলে অংশগ্ৰহণ কৰে। বকো উন্নয়ন খণ্ডৰ অন্তৰ্গত কলিয়াবৰী গাঁৱৰ আদি সাথী জিতুল ৰাভাক কৰ্মযোগী অভিযানৰ ৰাষ্ট্ৰীয় সন্মিলনত তেওঁৰ অসাধাৰণ নিষ্ঠা আৰু সেৱাৰ বাবে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সন্মানিত কৰে।

০০০০০

যোৱা ২৩ অক্টোবৰত কোকৰাঝাৰ জিলাৰ শিঙিমাৰী ৰে'লৱে ট্ৰেকত সংঘটিত আই ই ডি বিস্ফোৰণৰ ঘটনাত জৰিত বুলি সন্দেহ কৰা মাওবাদী অসীম হেমব্ৰম ওৰফে ৰহিত মুৰ্মুৰ আৰক্ষীৰ সৈতে হোৱা এটা সংঘৰ্ষত কালি মৃত্যু হয়। কোকৰাঝাৰ জিলাৰ চালাকাটি আৰক্ষী চকীৰ সমীপৰ নন্দনগিৰি পাহাৰত সংঘটিত এই সংঘৰ্ষত মাওবাদী জন নিহত হোৱা বুলি কোকৰাঝাৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক পুস্পৰাজ সিঙে সাংবাদিকৰ আগত প্ৰকাশ কৰে।

০০০০০